# 3 (Sem–6/CBCS) ECO RE 1/2/3

# 2022

## ECONOMICS

Paper : ECO–RE–6016/6026/6036

( Regular Elective )

Paper : ECO–RE–6016

**( Economic Development and Policy in India—II )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer any *ten* of the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো দহটাৰ উত্তৰ দিয়া :

(a) On which year was Food Corporation of India (FCI) set up?

কোন চনত ভাৰতীয় খাদ্য নিগম স্থাপন কৰা হৈছিল ?

(b) Mention one objective of new industrial policy of 1991.

১৯৯১ চনৰ নতুন ঔদ্যোগিক নীতিৰ এটা উদ্দেশ্য লিখা।

(c) What is MUDRA?

MUDRA কি ?

(d) In which year India became a member of WTO?

কোন চনত ভাৰত WTOৰ সদস্য হৈছিল ?

(e) Define foreign investment.

বৈদেশিক বিনিয়োগৰ সংজ্ঞা দিয়া।

(f) Write one cause of regional variation of agricultural productivity in India.

ভাৰতৰ কৃষি উৎপাদনশীলতাৰ আঞ্চলিক ভাৰসাম্যতাৰ পাৰ্থক্যৰ এটা কাৰণ লিখা।

(g) Point out one achievement of land reforms in India.

ভাৰতত ভূমি সংস্কাৰৰ এটা সাফল্য উল্লেখ কৰা।

(h) What are the purposes of short-term agricultural credit?

হ্রস্বম্যাদী কৃষি ঋণৰ উদ্দেশ্য কি ?

(i) Mention one name of loss making public sector undertakings in India.

ভাৰতৰ লোকচান ভৰি থকা ৰাজহুৱা খণ্ডৰ এটা উদ্যোগৰ নাম লিখা।

(j) Write one solution to the growing problem of deficits in balance of payments in India.





ভাৰতৰ বাণিজ্যিক লেনদেনৰ উদ্বৃত্তৰ ক্ষেত্ৰত হোৱা বৰ্ধিত ঘাটিৰ সমস্যা সমাধানৰ এটা উপায় লিখা।

(k) What is the main purpose of the agricultural price policy in India?

ভাৰতত কৃষি মূল্য নীতিৰ প্ৰধান উদ্দেশ্য কি ?

(l) Point out one export promotion measure.

ৰপ্তানি প্ৰসাৰৰ এটা ব্যৱস্থা আঙুলিয়াই দিয়া।

(m) Mention one difference between small-scale and cottage industry.

ক্ষুদ্ৰ উদ্যোগ আৰু কুটীৰ উদ্যোগৰ মাজত এটা পাৰ্থক্য উল্লেখ কৰা।

(n) State one feature of WTO.

WTOৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(o) What is balance of trade?

বাণিজ্যিক লেনদেনৰ ভাৰসাম্য বুলিলে কি বুজা ?

**2.** Answer any *five* of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

(a) What is disinvestment in public sector undertakings?

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ নিৰ্বিনিয়োজন বুলিলে কি বুজা ?

(b) Mention two factors responsible for poor performance of land reforms programme in India.

ভাৰতত ভূমি সংস্কাৰ ব্যৱস্থাৰ দুৰ্বল কাৰ্যক্ষমতাৰ দুটা কাৰক উল্লেখ কৰা।

(c) Write two important strategies for industrial development in India.

ভাৰতত ঔদ্যোগিক উন্নয়নৰ বাবে দুটা গুৰুত্বপূৰ্ণ কৌশল লিখা।

(d) Mention two problems faced by small-scale industries in India.

ভাৰতত ক্ষুদ্ৰ উদ্যোগসমূহে সন্মুখীন হোৱা দুটা সমস্যা উল্লেখ কৰা।

(e) Write two measures adopted by the government to improve the condition of farm workers in India.

ভাৰতৰ কৃষি শ্ৰমিকৰ অৱস্থা উন্নত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা দুটা ব্যৱস্থা লিখা।

(f) Name two central public sector enterprises which have received 'Maharatna' status in India.

ভাৰতত কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান দুটাৰ নাম লিখা যিয়ে 'মহাৰত্ন' খিতাপ অৰ্জন কৰিছে।





(g) What are the initiatives taken in Aatma Nirbhar Bharat Abhiyaan for revival of small-scale industries?

ক্ষুদ্ৰ উদ্যোগসমূহৰ পুনৰুদ্ধাৰৰ বাবে আত্মনিৰ্ভৰ ভাৰত অভিযানত কি কি পদক্ষেপ লোৱা হৈছে?

(h) Highlight the periods of current account deficit in balance of payments of India.

ভাৰতৰ বাণিজ্যিক লেনদেনৰ উদ্বৃত্তৰ চলিত হিচাপৰ ক্ষেত্ৰত দেখা দিয়া ঘাটিৰ কালছোৱা উল্লেখ কৰা।

3. Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Mention some measures to raise agricultural productivity in India.

ভাৰতত কৃষিৰ উৎপাদন বৃদ্ধি কৰাৰ বাবে কেইটামান ব্যৱস্থা উল্লেখ কৰা।

(b) What are the factors responsible for mounting crisis in balance of payments in recent years in India?

সাম্প্ৰতিক কালত ভাৰতত বাণিজ্যিক লেনদেনৰ উদ্বৃত্তৰ ক্ষেত্ৰত সৃষ্টি হোৱা বৰ্ধিত সঙ্কটৰ সমস্যাৰ কাৰণসমূহ কি কি?

(c) Explain the role of foreign direct investment in Indian economy.

ভাৰতীয় অৰ্থনীতিত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ ভূমিকা বৰ্ণনা কৰা।

(d) Explain the importance of industries in economic development of India.

ভাৰতৰ অৰ্থনৈতিক উন্নয়নত উদ্যোগৰ গুৰুত্ব বৰ্ণনা কৰা।

(e) Point out the objectives of land reforms in India.

ভাৰতত ভূমি সংস্কাৰৰ উদ্দেশ্যসমূহ উল্লেখ কৰা।

(f) Explain the major problems of the public sector enterprises in India.

ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ প্ৰধান সমস্যাৱলী বৰ্ণনা কৰা।

(g) Briefly explain the present state of agricultural marketing in India.

ভাৰতৰ কৃষি দ্ৰব্যৰ বজাৰৰ বৰ্তমান অৱস্থা চমুকৈ বৰ্ণনা কৰা।

(h) Mention the factors affecting slowdown in industrial growth in India in recent time.

সাম্প্ৰতিক সময়ত ভাৰতৰ ঔদ্যোগিক বৃদ্ধি মন্থৰ হোৱাৰ কাৰকসমূহ উল্লেখ কৰা।





4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Discuss the trends in agricultural production in India since independence.

স্বাধীনতাৰ পিছত ভাৰতৰ কৃষি উৎপাদনৰ গতিধাৰা সম্পৰ্কে আলোচনা কৰা।

(b) Explain the phases of industrialization and its growth in India.

ভাৰতৰ উদ্যোগীকৰণ আৰু ইয়াৰ বৃদ্ধিৰ পৰ্যায়সমূহ বৰ্ণনা কৰা।

(c) What is agricultural credit? Discuss the various sources of agricultural credit in India.

কৃষি ঋণ বুলিলে কি বুজা? ভাৰতত কৃষি ঋণৰ বিভিন্ন উৎসসমূহ বৰ্ণনা কৰা।

(d) Evaluate the performance of public sector undertakings in India.

ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্যক্ৰম মূল্যাংকন কৰা।

(e) Discuss the balance of payments position of India since independence.

স্বাধীনতাৰ পিছত ভাৰতৰ বাণিজ্যিক লেনদেনৰ উদ্বৃত্তৰ অৱস্থাৰ বিষয়ে আলোচনা কৰা।

(f) Discuss the role of cottage industries in India and mention its weaknesses.

ভাৰতত কুটীৰ শিল্পৰ ভূমিকাসমূহ আলোচনা কৰা আৰু ইয়াৰ দুৰ্বলতাসমূহ উল্লেখ কৰা।

(g) Explain the main features of agricultural price policy in India.

ভাৰতৰ কৃষি মূল্য নীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ বৰ্ণনা কৰা।

(h) What is agricultural marketing? Explain the defects of agricultural marketing in India.

কৃষি দ্ৰব্যৰ বজাৰ বুলিলে কি বুজা? ভাৰতত প্ৰচলিত কৃষি দ্ৰব্যৰ বজাৰ ব্যৱস্থাৰ দোষ-ত্ৰুটীসমূহ বৰ্ণনা কৰা।

(i) Give an overview of foreign investment flows in India.

ভাৰতত বৈদেশিক বিনিয়োগৰ প্ৰৱাহ সম্পৰ্কে এটি আভাস দিয়া।

(j) Critically evaluate various agricultural policies undertaken in India during post 1990's.

১৯৯০ চনৰ পৰবৰ্তী কালছোৱাত ভাৰতে গ্ৰহণ কৰা বিভিন্ন কৃষি নীতিসমূহ সমালোচনামূলকভাৱে মূল্যায়ন কৰা।





Paper : ECO–RE–6026

**[ Economic History of India (1857–1947) ]**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer any *ten* of the following questions : 1×10=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো **দহটাৰ** উত্তৰ দিয়া :

(a) What is meant by colonial economy in India?

ভাৰতত ঔপনিৱেশিক অৰ্থনীতি বুলিলে কি বুজায়?

(b) What was the main focus of the colonial economic policies in India?

ভাৰতৰ ঔপনিৱেশিক অৰ্থনৈতিক নীতিৰ মূল কেন্দ্ৰবিন্দু কি আছিল?

(c) What is meant by commercialisation of Indian agriculture?

ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণ মানে কি বুজা যায়?

*(d)* Mention one cause of recurrent famines in India during 1857–1947.

১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈ ভাৰতত সঘনে হোৱা দুৰ্ভিক্ষৰ এটা কাৰণ উল্লেখ কৰা।

*(e)* What is deindustrialisation?

শিল্পমুক্তকৰণ কি?

*(f)* What was the most important industrial infrastructure developed in India during British Rule?

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ সবাতকৈ গুৰুত্বপূৰ্ণ ঔদ্যোগিক আন্তঃগাঁথনিটো কি আছিল?

*(g)* What was the first known banking institution in India?

ভাৰতৰ প্ৰথম জনাজনি বেংকিং প্ৰতিষ্ঠান কোনটো?

*(h)* Mention one source of non-institutional agricultural credit in India during the British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতীয় কৃষিৰ এটা অনানুষ্ঠানিক কৃষি বিত্তৰ উৎসৰ নাম উল্লেখ কৰা।

*(i)* Who introduced land reforms in India during British Rule?

বৃটিছৰ শাসনৰ সময়ছোৱাত কোনে ভাৰতত ভূমি সংস্কাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল?





*(j)* Who first calculate national income in India?

ভাৰতত কোনে প্ৰথম জাতীয় আয় গণনা কৰিছিল?

*(k)* What was the main source of occupation of the people of India during the British Rule?

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতীয় মানুহৰ জীৱিকা নিৰ্বাহৰ মূল উৎস কি আছিল?

*(l)* What were the main reasons for slow growth of population of India during British Rule?

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ জনসংখ্যাৰ লেহেমীয়া বৃদ্ধিৰ মূল কাৰণ কি আছিল?

*(m)* Mention one reason of economic underdevelopment of India during the British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ অৰ্থনৈতিক অনগ্ৰসৰতাৰ এটা কাৰণ উল্লেখ কৰা।

*(n)* What is trade surplus?

বাণিজ্যিক উদ্বৃত্ত কি?

*(o)* What are cash crops?

অৰ্থকৰী শস্যসমূহ কি?

**2.** Answer any *five* of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

*(a)* Mention two causes of low agricultural production of India during the British Rule.

বৃটিছৰ শাসনকালত ভাৰতীয় কৃষিৰ নিম্ন উৎপাদনৰ দুটা কাৰণ উল্লেখ কৰা।

*(b)* State two features of Indian economy during preindependence period.

প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাত ভাৰতীয় অৰ্থনীতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

*(c)* Write any two effects of commercialisation of Indian agriculture during the British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণৰ যি কোনো দুটা প্ৰভাৱ লিখা।

*(d)* Mention two features of Indian economy during the early 19th century.

১৯ শতিকাৰ আৰম্ভণিত ভাৰতীয় অৰ্থনীতিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

*(e)* What was the Guild system?

গিল্ড ব্যৱস্থাটো কি আছিল?





*(f)* State two positive effects of British colonialism.

বৃটিছ উপনিৱেশবাদৰ দুটা ইতিবাচক প্ৰভাৱ উল্লেখ কৰা।

*(g)* What were the main items of trade during British India?

বৃটিছ ভাৰতৰ সময়ছোৱাত ভাৰতীয় বাণিজ্যৰ মূল সামগ্ৰীসমূহ কি আছিল?

*(h)* Mention two sources of capital flows to India during British Rule.

বৃটিছৰ শাসনৰ সময়ত ভাৰতলৈ মূলধন প্ৰৱাহৰ দুটা উৎস উল্লেখ কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Mention five features of Indian agriculture on eve of independence.

প্ৰাক্-স্বাধীনতাকালত ভাৰতীয় কৃষিৰ পাঁচটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* Write a note on land settlement policy of India during British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ ভূমি বন্দৰস্ত নীতিৰ ওপৰত এটা টোকা লিখা।

*(c)* Where was the Zamindari system implemented by British in India? Discuss its features.

বৃটিছে ভাৰতত জমিদাৰী ব্যৱস্থা ক'ত প্ৰয়োগ কৰিছিল? ইয়াৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*(d)* Discuss the rule of public sector during British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ৰাজহুৱা খণ্ডৰ ভূমিকা আলোচনা কৰা।

*(e)* Discuss the State of Indian Foreign Trade on the eve of independence.

প্ৰাক্-স্বাধীনতাকালৰ ভাৰতৰ বৈদেশিক বাণিজ্যব্যৱস্থা আলোচনা কৰা।

*(f)* Describe the negative impact of the British Rule on Indian economy.

ভাৰতীয় অৰ্থনীতিৰ ওপৰত বৃটিছ শাসনৰ ঋণাত্মক প্ৰভাৱসমূহ বৰ্ণনা কৰা।

*(g)* Write a note on regional variations in the occupational structure of India during British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ জনসংখ্যাৰ জীৱিকা নিৰ্বাহৰ গাঁথনিৰ আঞ্চলিক ভাৰসাম্যহীনতাৰ ওপৰত এটা টোকা লিখা।





*(h)* Explain the role of Suez canal for expansion of foreign trade of India during British period.

বৃটিছৰ সময়ত ভাৰতৰ বৈদেশিক বাণিজ্যৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত চুৱেজ খালৰ ভূমিকা ব্যাখ্যা কৰা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

*(a)* Explain the Drain theory of Dadabhai Naoroji.

দাদাভাই নাওৰাজিৰ সম্পদ নিৰ্গত তত্ত্বটো ব্যাখ্যা কৰা।

*(b)* Narrate the history of railway development in India during British period.

বৃটিছৰ সময়ছোৱাত ভাৰতৰ ৰেল উন্নয়নৰ বুৰঞ্জী বৰ্ণনা কৰা।

*(c)* Discuss the early impact of British Rule on Indian economy.

ভাৰতীয় অৰ্থনীতিত বৃটিছ শাসনৰ প্ৰাথমিক প্ৰভাৱসমূহ আলোচনা কৰা।

*(d)* Write a note on the decline of Indian handicrafts during British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতৰ হস্তশিল্পৰ পতনৰ ওপৰত এটা টোকা লিখা।

(e) Discuss the evolution of agricultural policy in India during 1880–1919.

১৮৮০ চনৰ পৰা ১৯১৯ চনলৈ ভাৰতৰ কৃষি নীতিৰ ক্ৰমবিকাশ আলোচনা কৰা।

(f) Explain the causes and consequences of commercialisation of Indian agriculture during the British Rule.

বৃটিছৰ শাসনৰ সময়ছোৱাত ভাৰতীয় কৃষিৰ বাণিজ্যিকীকৰণৰ কাৰণ আৰু ফলাফল আলোচনা কৰা।

(g) Discuss the effects of famines on Indian economy during British Rule.

বৃটিছৰ শাসনৰ সময়ত ভাৰতীয় অৰ্থনীতিত দুৰ্ভিক্ষৰ প্ৰভাৱ আলোচনা কৰা।

(h) Narrate the Industrial Policy of India after 1857.

১৮৫৭ চনৰ পিছত ভাৰতৰ ঔদ্যোগিক নীতি বৰ্ণনা কৰা।

(i) Write a note on growth of towns in India during British period.

বৃটিছৰ সময়ছোৱাত ভাৰতৰ নগৰ উন্নয়নৰ ওপৰত এটা টোকা লিখা।

(j) Explain the effects of World War—I on Indian economy.

ভাৰতীয় অৰ্থনীতিত প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱ ব্যাখ্যা কৰা।



( Continued



Paper : ECO–RE–6036

**( Public Finance )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

1. Answer any *ten* of the following as directed : 1×10=10

তলৰ যি কোনো দহটাৰ নিৰ্দেশানুসাৰী উত্তৰ দিয়া :

(a) What is public finance?

চৰকাৰী বিত্ত কাক বোলে?

(b) What is meant by social welfare?

সামাজিক কল্যাণ বুলিলে কি বুজা?

(c) Write one social significance of public finance.

চৰকাৰী বিত্তৰ এটা সামাজিক তাৎপৰ্য লিখা।

(d) Mention one source of public revenue.

চৰকাৰী ৰাজহৰ এটা উৎস উল্লেখ কৰা।



( Turn Over )

*(e)* Give one example of public good.

ৰাজহুৱা দ্ৰব্যৰ এটা উদাহৰণ দিয়া।

*(f)* Define tax incidence.

কৰৰ সৰ্বশেষ ভাৰৰ সংজ্ঞা দিয়া।

*(g)* What is externality?

বাহ্যিকতা কি?

*(h)* Write one objective of fiscal policy.

ৰাজকোষীয় নীতিৰ এটা উদ্দেশ্য লিখা।

*(i)* Mention one canon of tax.

কৰৰ এটা নীতি উল্লেখ কৰা।

*(j)* What is deficit budget?

ঘাটি বাজেট কি?

*(k)* What is the full form of GST?

GSTৰ সম্পূৰ্ণ ৰূপটো কি?

*(l)* Give an example of direct tax.

প্ৰত্যক্ষ কৰৰ এটা উদাহৰণ দিয়া।

*(m)* What is taxable capacity?

কৰ প্ৰদানৰ সামৰ্থ্য কি?





*(n)* Fiscal federalism attempts to define the financial relationship between Centre and _____.

(Fill in the blank)

ৰাজকোষীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই কেন্দ্ৰ আৰু _____ৰ মাজত বিত্তীয় সম্পৰ্কৰ কথা উল্লেখ কৰে।

(খালী ঠাঁই পূৰ কৰা)

*(o)* Write one significance of local finance in India.

ভাৰতৰ স্থানীয় বিত্তীয় ব্যৱস্থাৰ এটা গুৰুত্ব উল্লেখ কৰা।

**2.** Answer any *five* of the following questions : 2×5=10

তলৰ প্ৰশ্নসমূহৰ যি কোনো পাঁচটাৰ উত্তৰ দিয়া :

*(a)* Write two characteristics of public good.

ৰাজহুৱা দ্ৰব্যৰ দুটা বৈশিষ্ট্য লিখা।

*(b)* Write two differences between public finance and private finance.

চৰকাৰী বিত্ত আৰু ব্যক্তিগত বিত্তৰ মাজত থকা দুটা পাৰ্থক্য লিখা।

*(c)* Define market failure.

বজাৰ বিফলতাৰ সংজ্ঞা দিয়া।

(d) What are the two types of incidence of taxation?

কৰৰ সৰ্বশেষ ভাৰৰ প্ৰকাৰ দুটা কি কি?

(e) Define capital budget and revenue budget.

মূলধনী বাজেট আৰু ৰাজহ বাজেটৰ সংজ্ঞা দিয়া।

(f) Mention two objectives of budget.

বাজেটৰ দুটা উদ্দেশ্য লিখা।

(g) Mention two importances of fiscal federalism in India.

ভাৰতত ৰাজকোষীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দুটা প্ৰয়োজনীয়তা উল্লেখ কৰা।

(h) Give two reasons of why tax base of direct tax in India is small.

ভাৰতত প্ৰত্যক্ষ কৰৰ ভিত্তি ঠেক হোৱাৰ দুটা কাৰণ উল্লেখ কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) Write a note on how equity of tax brings social welfare.

কৰ সমতাই সামাজিক কল্যাণ কিদৰে সাধন কৰে সেই সম্বন্ধে এটি টোকা লিখা।





(b) Discuss the characteristics of good tax system.

এটা ভাল কৰ গাঁথনিৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা।

(c) Show the difference between absolute and relative taxable capacity.

চৰম আৰু আপেক্ষিক কৰ প্ৰদানৰ সামৰ্থ্যৰ মাজত পাৰ্থক্য লিখা।

(d) Explain the role of indirect taxes in developing country.

উন্নয়নশীল দেশত পৰোক্ষ কৰৰ ভূমিকা বৰ্ণনা কৰা।

(e) Explain few measures taken by Indian Government to simplify taxation process in the last five years.

ভাৰত চৰকাৰে বিগত পাঁচ বছৰত কৰ ব্যৱস্থাৰ সৰলীকৰণৰ বাবে লোৱা কেইটামান পদক্ষেপ বৰ্ণনা কৰা।

(f) What are the determining factors of taxable capacity of a country?

এখন দেশৰ কৰ প্ৰদান সামৰ্থ্যৰ নিৰ্ধাৰণকাৰী উপাদানবোৰ কি কি?

(g) Explain the limitations of fiscal policy.

ৰাজকোষীয় নীতিৰ সীমাবদ্ধতাবোৰ ব্যাখ্যা কৰা।

(h) Write a note on sources of revenue of a local finance administration.

স্থানীয় বিত্তীয় প্ৰশাসনৰ ৰাজহৰ উৎস সম্বন্ধে এটি টোকা লিখা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ দিয়া :

(a) What is meant by market failure in the context of taxation? How can the problem of market failure be solved?

কৰৰ ক্ষেত্ৰত বজাৰ বিফলতা বুলিলে কি বুজায়? বজাৰ বিফলতাৰ সমস্যা এই ক্ষেত্ৰত কিদৰে সমাধান কৰিব পাৰি?

(b) Critically explain the ability to pay principle of taxation.

কৰ প্ৰদানৰ সামৰ্থ্য নীতিটোৰ সমালোচনাত্মক ব্যাখ্যা আগবঢ়োৱা।

(c) Discuss in detail the effects of taxation on production and consumption.

উৎপাদন আৰু উপভোগত কৰৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা।





(d) Why does fiscal deficit occur in a developing country? Do you think fiscal deficit is important for economic development of developing country?

উন্নয়নশীল দেশত ৰাজকোষীয় ঘাটি উদ্ভৱ কিয় হয়? এই দেশবোৰৰ উন্নয়নৰ বাবে ৰাজকোষীয় ঘাটি সৃষ্টি হোৱা প্ৰয়োজন বুলি তুমি ভাবানে?

(e) Give an assessment of recent fiscal policies of India.

ভাৰতৰ শেহতীয়া ৰাজকোষীয় নীতিবোৰ সম্বন্ধে এক পৰ্যালোচনা দাঙি ধৰা।

(f) Describe the role of budget as an instrument of economic policy.

অৰ্থনৈতিক নীতিৰ আহিলা হিচাপে বাজেটৰ ভূমিকা বৰ্ণনা কৰা।

(g) What are the major challenges of India's tax system? Suggest some measures to increase tax collection in the country.

ভাৰতৰ কৰ ব্যৱস্থাৰ মুখ্য প্ৰত্যাহ্বানবোৰ কি কি? দেশত কৰ সংগ্ৰহ বৃদ্ধিৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা।

(h) Discuss in detail the main objectives of monetary policy in India.

ভাৰতৰ মৌদ্ৰিক নীতিৰ মুখ্য উদ্দেশ্যসমূহ বহলাই আলোচনা কৰা।

*(i)* Do you think that after implementation of GST in India problems of indirect tax collection are solved? Give your views in this regard.

ভাৰতত GST ব্যৱস্থা ৰূপায়ণৰ ফলত পৰোক্ষ কৰ সংগ্ৰহৰ সমস্যাসমূহ আঁতৰ হোৱা বুলি তুমি ভাবানে? এই ক্ষেত্ৰত তোমাৰ মতামত আগবঢ়োৱা।

*(j)* What are the major issues of fiscal federalism in India? Explain the role of Finance Commission to sort out these issues.

ভাৰতৰ ৰাজকোষীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ মুখ্য বিষয়বোৰ কি কি? বিত্তীয় আয়োগে এই বিষয়সমূহ সমাধানত কেনে ভূমিকা পালন কৰিছে, বৰ্ণনা কৰা।

★★★